# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-OCT-2026
**Time :** 12.05 PM

## ASSAMESE 12.05 PM BULLETIN

———————————————————————————————

## HEADLINES

১।	শ্ৰীভূমি জিলাত বিহু দলক আক্ৰমণৰ ঘটনা সংক্ৰান্তত আৰক্ষীৰ ৪ জনক আটক কৰি জেৰা।

২।	ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া পুনৰ আৰম্ভ।

৩।	দেশৰ আন অংশৰ লগতে অসমতো আজিৰে পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ। **আৰু**

৪।	লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ গোলকীয় বিকাশ, সংসদীয় সহযোগিতা শক্তিশালীকৰণ আৰু বৰ্ধিত আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ মুখামুখি হোৱাত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ ভূমিকাত আলোকপাত।

০০০০০০

শ্ৰীভূমি জিলাত বিহু দলক আক্ৰমণৰ ঘটনা সংক্ৰান্তত আৰক্ষীয়ে যোৱা নিশা ৪ জন অভিযুক্তক আটক কৰি জেৰা অব্যাহত ৰাখিছে। এই ঘটনাক লৈ ৰাজ্যৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিক্ৰিয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে আৰক্ষীয়ে লোককেইজনক আটক কৰে। ইয়াৰ পূৰ্বে আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত ১৩ জন লোকক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰিছিল যদিও আটাইকেইজনে জামিন লাভ কৰে।

বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে কালি ৰামকৃষ্ণ নগৰ সমষ্টিৰ বিধায়ক বিজয় মালাকাৰৰ সৈতে বৰগুল আৰু আদৰকোনা গাঁৱত উপস্থিত হৈ আক্ৰমণত আহত বিহু শিল্পীসকলৰ স্বাস্থ্যৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে এই ঘটনাক গৰিহণা দি কয় যে বিহু পৰিৱেশন কৰিবলৈ অহা শিল্পীসকলৰ ওপৰত এনে আক্ৰমণ কোনো কাৰণতে সহ্য কৰা নহ'ব।

০০০০০০

অৰুণাচল প্ৰদেশত প্ৰস্তাৱিত ১১ হাজাৰ ২০০ মেগাৱাট শক্তি সম্পন্ন আপাৰ চিয়াং বহুমুখী প্ৰকল্পৰ বিৰোধিতাৰে কৰা প্ৰতিবাদৰ সময়ত পাচিঘাটত সংঘটিত হিংসাত্মক পৰিস্থিতিৰ পাছত কেন্দ্ৰই ৰাজ্যখনলৈ চি আৰ পি এফ-ৰ দুটা ৰেপিড এক্সন ফ'ৰ্চ কোম্পানী প্ৰেৰণ কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া নিৰ্দেশ অনুসৰি নবী মুম্বাইৰ পৰা ভাৰতীয় বায়ুসেনাৰ পৰিবহণ বিমানেৰে কঢ়িয়াই অনা ৰেপিড এক্সন ফ'ৰ্চৰ ২৫০ জন জোৱানক কালি ৰাজ্যখনত মোতায়েন কৰা হয়। ৰেপিড এক্সন ফ'ৰ্চ হৈছে বিশেষ নীলা ইউনিফৰ্ম পৰিধান কৰা চি আৰ পি এফ-ৰ সংঘাত প্ৰতিৰোধী গোট। অৰুণাচল প্ৰদেশত স্থায়ীভাৱে চি আৰ পি এফৰ ২-৩টা বেটেলিয়ন আছে আৰু ৰাজ্যখনত সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত কেইবাটাও চি আৰ পি এফৰ গোট মোতায়েন কৰা হৈছে। চৰকাৰী সূত্ৰ অনুসৰি চি আৰ পি এফৰ জোৱানসকলে যোৱা শুকুৰবাৰৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণ কৰি আছে আৰু হিংসাত্মক ঘটনা যাতে বৃদ্ধি নহয় সেয়াও নিশ্চিত কৰিছে।

অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰ গণতন্ত্ৰৰ অবিচ্ছেদ্য অংশ বুলি উল্লেখ কৰি কয় যে এনে প্ৰতিবাদ আইনৰ পৰিসীমাৰ ভিতৰত থকাটো প্ৰয়োজন আৰু এনে প্ৰতিবাদৰ ফলত সম্পত্তিৰ ক্ষয়-ক্ষতি অথবা আইন শৃংখলা পৰিস্থিতি ব্যাহত হোৱাটো উচিত নহয়। ০০০০০

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আজি পুনৰ আৰম্ভ হৈছে। আজি পুৱাৰ ভাগত এন কে প্ৰডাকশনৰ স্বত্বাধিকাৰী দেৰ বৰকটকী সাক্ষ্য প্ৰদানৰ বাবে আদালতত উপস্থিত হয়। ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভৰ পাছত অভিযুক্ত সন্দীপন গাৰ্গে প্ৰথমবাৰৰ বাবে আজি আদালতত উপস্থিত হয়। পিতৃৰ সৈতে আদালতলৈ অহা সন্দীপন গাৰ্গে সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা বিৰত থাকে। আন এগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্তও আজি ফাষ্টট্ৰেক আদালতত উপস্থিত হয়। ইপিনে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই অহা ২৯ অক্টোবৰত ৰাজ্যৰ প্ৰতিখন জিলা সদৰত মম-শিখা সমদল কাৰ্যসূচীৰ বাবে আহ্বান জনাইছে।

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ উলুকুঞ্চিস্থিত তিৱা সাংস্কৃতিক প্ৰকল্পত অহা ২৯ অক্টোবৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে লাংখন উৎসৱৰ আয়োজন কৰিছে। ইয়াৰ বাবে ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। এই উৎসৱ তিৱা জনগোষ্ঠীৰ পৰম্পৰাগত আৰু লোক সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব বুলি আমাৰ সংবাদদাতাই জনাইছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। লাংখন উৎসৱ সন্দৰ্ভত আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতা টুটু কোঁৱৰে এইদৰে কয়—

**ভইচকাষ্ট (টুটু কোঁৱৰ)**

০০০০০০

ভাৰতীয় গণনাট্য সংঘ, আই পি টি এৰ অসম ৰাজ্যিক সমিতিয়ে বছৰজোৰাকৈ আয়োজন কৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠান অহা ৩ নৱেম্বৰত উদযাপন কৰিবলৈ লোৱা হৈছে। ভাৰতৰত্ন সন্মানেৰে বিভূষিত আই পি টি এৰ প্ৰাক্তন কাণ্ডাৰীগৰাকীৰ জীৱন আৰু কৰ্মৰ স্মৃতিচাৰণৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানটিত গীত-মাতৰ অনুষ্ঠানৰ লগতে স্মাৰক বক্তৃতানুষ্ঠানো সম্পন্ন হ'ব। ৰাজ্যৰ এগৰাকী বিশিষ্ট নিৰন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰে এই অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব বুলি ভাৰতীয় গণনাট্য সংঘৰ ৰাজ্যিক সমিতিয়ে জানিবলৈ দিছে।

আনহাতে অহা ১৮ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ আল্লোৱাৰত আয়োজিত নৃত্য-গীতৰ ৰাষ্ট্ৰীয় উৎসৱতো আই পি টি এৰ অসম ৰাজ্যিক সমিতিৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰাৰ সম্ভাৱনাৰ বিষয়ে সমিতিয়ে প্ৰকাশ কৰিছে।

০০০০০০

দেশৰ আন অংশৰ লগতে অসমতো আজিৰে পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ পালন কৰিবলৈ লোৱা হৈছে। স্বচ্ছ, নিকা, দায়বদ্ধ দুনীৰ্তিমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে প্ৰতিবছৰে এই সপ্তাহ পালন কৰা হয়। এইবাৰ এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে সততাৰ জৰিয়তে সমৃদ্ধি। এই সপ্তাহৰ অংশ হিচাপে মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু আন সংস্থাৰ কৰ্মচাৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে শপতবাক্য পাঠ কৰোৱা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি হিচাপে পুনৰায় নিৰ্বাচিত লুলা-দা-ছিলভাক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত পুনৰ নিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীক অভিনন্দন জনাই শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু ব্ৰাজিলৰ মাজৰ বহুমুখী কৌশলগত সম্পৰ্কক অধিক গভীৰ তথা সম্প্ৰসাৰিত কৰাৰ হকে লুলা-দা-ছিলভাৰ সৈতে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে। বিভিন্ন খণ্ডত সহযোগিতা অধিক শক্তিশালী কৰি তোলাৰ লগতে গ্লোবেল ছাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিককৰণৰ দিশৰ পৰা তুলনামূলকভাৱে কম বিকশিত ৰাষ্ট্ৰসমূহৰ অগ্ৰাধিকাৰৰ বিষয়বোৰত একেলগে আগবাঢ়ি যোৱা আৰু সামগ্ৰিকভাৱে এখন সুস্থিৰ বিশ্ব গঢ়ি তোলাৰ হকে কাম কৰাৰ দিশত ভাৰত আৰু ব্ৰাজিলৰ পাৰস্পৰিক সম্পৰ্কৰ প্ৰয়োজনীয়তাত তেওঁ গুৰুত্ব আৰোপ কৰে।

উল্লেখযোগ্য যে শেহতীয়াকৈ অনুষ্ঠিত ব্ৰাজিলৰ ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনত বাওঁপন্থী প্ৰাৰ্থী লুইজ ইনাছিঅ' লুলা-দা-ছিলভাই ৫১ শতাংশ ভোট লাভ কৰি তেওঁৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী সোঁপন্থী ছিনেটৰ ফ্লেবিঅ' বলছ'নাৰোক পৰাভূত কৰে। দেশখনৰ জ্যেষ্ঠতম ৰাষ্ট্ৰপতি হিচাপে পূৰ্বৰ নিজৰেই অভিলেখ ভংগ কৰি ৮০ বছৰ বয়সীয়া দা-ছিলভাই অহা বছৰ ৫ জানুৱাৰীত পুনৰ শপত গ্ৰহণ কৰিব।

০০০০০০

নগাঁও চহৰৰ বৰবজাৰত আজি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত ৪ জন সৰবৰাহকাৰীক আটক কৰে। ধৃত লোককেইজন হৈছে সুবীৰ সাহা, জেহৰুল হক, জমিৰ হুছেইন আৰু মুকছিদুল হক। লোককেইজনে দীৰ্ঘদিন ধৰি ব্ৰাউন ছুগাৰকে ধৰি অন্যান্য নিচাজাতীয় সামগ্ৰী সৰবৰাহ কৰি আহিছিল বুলি আৰক্ষীয়ে জনাইছে।

০০০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰৰ এটি ৮ বছৰীয়া কন্যা শিশুৱে হিমালয় পৰ্বতৰ পাদদেশৰ অন্নপূৰ্ণা বে'ছ কেম্পত উপস্থিত হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। সম্প্ৰতি তৃতীয় শ্ৰেণীত পঢ়ি থকা ত্ৰিশিকা মজুমদাৰ নামৰ শিশুটি যোৱা ২৩ অক্টোবৰত ডিঙিত গামোচা লৈ ভূ-পৃষ্ঠৰ পৰা ১৩ হাজাৰ ৫৫০ ফুট উচ্চতাৰ বে'ছ কেম্পটোত উপস্থিত হয়। প্ৰায় ৫ বছৰ বয়সৰ পৰা ট্ৰেকিং কৰি অহা ত্ৰিশিকাই দেখুওৱা এই অদম্য মনোবলৰ বাবে জিলাবাসীয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে পৰ্বতাৰোহণৰ সৈতে জড়িত বিভিন্ন সংস্থা আৰু সংগঠনে তেওঁক অভিনন্দন জনাইছে।

০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই গোলকীয় বিকাশ, সংসদীয় সহযোগিতা শক্তিশালীকৰণ আৰু বৰ্ধিত আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ মুখামুখি হোৱাত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ ভূমিকাত আলোকপাত কৰে। নতুন দিল্লীত সংসদৰ সংবিধান সদনত অনুষ্ঠিত দ্বাদশ ব্ৰীকছ সংসদীয় সন্মিলনত ভাষণ দি লোকসভাৰ অধ্যক্ষ তথা দ্বাদশ ব্ৰীকছ সংসদীয় সন্মিলনৰ অধ্যক্ষ ওম বিৰলাই কয় যে ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীয়ে বিশ্বৰ প্ৰায় অৰ্ধেক জনসংখ্যাক প্ৰতিনিধিত্ব কৰে। গোলকীয় বিকাশ আৰু আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহক প্ৰভাৱিত কৰাৰ ক্ষেত্ৰত এই মঞ্চৰ সামৰ্থ্য দিনক দিনে বৃদ্ধি পাইছে বুলি শ্ৰীবিৰলাই উল্লেখ কৰে। সমগ্ৰ বিশ্বই বৰ্তমান আঞ্চলিক সংঘৰ্ষ, যুদ্ধ, অৰ্থনৈতিক অস্থিৰতা, সন্ত্ৰাসবাদ আৰু জলবায়ু পৰিৱৰ্তনকে ধৰি বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে বুলি উল্লেখ কৰি শ্ৰীবিৰলাই কয় যে এইক্ষেত্ৰত আলোচনা, কূটনীতি আৰু পাৰস্পৰিক সহযোগিতা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। ভাৰতক গণতন্ত্ৰৰ মাতৃ বুলি অভিহিত কৰি লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয় যে সহমত আৰু

মতানৈক্যৰ মাজতো ভাৰতৰ গণতান্ত্রিক শক্তি, আলোচনা, মতামতৰ ভিন্নতা আৰু পাৰস্পৰিক সন্মানৰ ওপৰত আধাৰিত।

উল্লেখযোগ্য যে এই দুদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু হৈছে— জনসাধাৰণ কেন্দ্রিক উন্নয়নৰ বাবে সংসদৰ সৰলীকৰণ। এই সন্মিলনত ব্রীকছ্ ৰাষ্ট্রগোষ্ঠীৰ ১১ খন সদস্য ৰাষ্ট্র আৰু ১০ খন সহযোগী ৰাষ্ট্রৰ সংসদীয় প্রতিনিধিসকলে অংশ লৈছে।

০০০০০০

গুৱাহাটী ক্রীড়া সংস্থাৰ উদ্যোগত আৰু অসম ক্রিকেট সংস্থাৰ পৃষ্ঠপোষকতাত কাইলৈৰ পৰা ৰাজ্যৰ ৩০টা স্থানত ৭১ সংখ্যক লোকপ্রিয় গোপীনাথ বৰদলৈ ট্রফী ফুটবল প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। গুৱাহাটীত কালি এখন সংবাদমেলত গুৱাহাটী ক্রীড়া সংস্থাৰ মুখ্য কার্যবাহী বিষয়া মুনীন নবীশে কয় যে প্রতিযোগিতাখনত ২৯ খন জিলাৰ ২৩২টা দলে অংশগ্রহণ কৰিব। তিনিটা পর্যায়ত হ’বলগীয়া প্রতিযোগিতাখনৰ মুঠ প্রাইজমানিৰ পৰিমাণ ৮০ লাখ টকা। প্রতিযোগিতখনৰ অন্তিম পর্যায়ৰ খেলসমূহ অহা ২০ নৱেম্বৰৰ পৰা গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত হ’ব। অহা ২৯ নৱেম্বৰত সামৰণি পৰিবলগীয়া এইবাৰৰ বৰদলৈ ট্রফীৰ দায়িত্ব অসম ক্রিকেট সংস্থাই লোৱা বুলি সংবাদমেলযোগে আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**